# শিকাবলৈ ইচ্ছা নকৰা এজন শিক্ষক

**প্ৰাৰ্থনা ঃ** প্ৰিয় প্ৰভু, সকলো দেশৰ সকলো লোকলৈ (আনকি দুষ্ট লোকলৈকো ঈশ্বৰৰ প্ৰেমৰ কথা জানিবলৈ লৰা-ছোৱালীক সহায় কৰক। আৰু তেওঁলোকক সলনি কৰাত কিয় তেওঁৰ কৰ্ম্মীসকলক পঠিয়াই ।

লৰা-ছোৱালীৰ বয়স আৰু প্ৰয়োজন অনুযায়ী তলত দিয়া  যিকোনো শিকিবলগীয়া বিষয় বাচি লওঁক।

**যোনা** ১, ২:১, ১০ আৰু ৩ অধ্যায়ৰ পৰা যোনাৰ গল্পটো পঢ়ি দিয়ক অথবা কোনো এগৰাকী ডাঙৰ লৰা-ছোৱালীয়ে মুখস্থ কওঁক।

দুষ্ট লোকবিলাকক পৰিবৰ্তন কৰিবৰ নিমিত্তে ঈশ্বৰৰ যোনাক শিক্ষকৰূপে আন এখন ঠাইলৈ পঠিয়াইছিল। সেই লোকবিলাকক ঈশ্বৰে ভাল পাইছিল যদিও শিক্ষকজনে ভাল পোৱা নাছিল।

তলত দিয়া **প্ৰশ্নবোৰ** সোধক *(প্ৰত্যেক প্ৰশ্নৰ পিছতে উত্তৰ দিয়া আছে)।*

- ঈশ্বৰে কিয় ধুমুহা বতাহ পঠিয়াইছিল? *(যোনা ১:৩-৪ চাওঁক)*
- ধুমুহাৰ বিষয়ে যোনাই নাবিকসকলক কি কৰিবলৈ কৈছিল? *(যোনা ১:১২)*



- নাবিকসকলে যোনাক সমুদ্ৰত পেলাই দিওঁতে কিয় তেওঁ ডুবি নগল? *(যোনা ১:১৭)*
- যোনাৰ শিক্ষা শুনি নীনবিৰ ৰজাই কি কৰিলে? *(যোনা ৩:৬-৮) তেওঁ অনুতাপ কৰিলে আৰু নিজৰ লোকবিলাককো অনুতাপ কৰিবলৈ কলে)।*

**ব্যাখা কৰক** যে অনুতাপ কৰাৰ অৰ্থ হৈছে পাপৰ পৰা ঘূৰা আৰু ঈশ্বৰৰ বাধ্য হোৱা। তেওঁৰ পবিত্ৰ আত্মাই আমাক এনে কৰিবলৈ কয়।

- নীনবিৰ লোকসকলে মন পালটন কৰাত ঈশ্বৰে কি কৰিলে? *(যোনা ৩:১০)*

যোনাৰ গল্পটোৰ কিছু অংশ **নাটক কৰি** দেখুৱাওক। এই ছুটি নাটকখন পৰিবেশন কৰিবলৈ উপাসনা চলাওঁতাৰ লগত ঠিক কৰক। নাটক প্ৰস্তুত কৰাত লৰা-ছোৱালীক আপোনাৰ শিকোৱাৰ সময় ব্যৱহাৰ কৰক। ডাঙৰ লৰা-ছোৱালীয়ে সৰুবোৰক সহায় কৰক।

- যথেষ্ট সংখ্যক **লৰা-ছোৱালী** নাথাকিলে, **বৰ্ণনাকাৰীয়ে কাৰ ভাগ হয়** তাক কৈ পঢ়ি দিব পাৰে।
- **ডাঙৰ লৰা-ছোৱালীয়ে** ঈশ্বৰৰ মাত, **যোনা আৰু বৰ্ণনাকাৰীৰ** ভাগ লব পাৰে।
- **সৰু লৰা-ছোৱালীক নাবিক, তিমি মাছ আৰু নীনবিৰ** ৰজাৰ ভাও দিয়ক।

**বৰ্ণনাকাৰী ঃ** যোনা ১ অধ্যায়ৰ পৰা গল্পটোৰ প্ৰথম খণ্ড কওঁক। এতিয়া কওঁক ৰজাই কি কৈছে শুনক।

**ঈশ্বৰৰ মাত ঃ** যোনা, তুমি গৈ নীনবিৰ লোকবিলাকক তেওঁলোকৰ সকলো দুষ্টতাৰ পৰা আঁতৰি আহিবলৈ কোৱা।

**যোনা ঃ** মই সেই লোকবিলাকক ঘিণ কৰোঁ। মই অন্য দিশলৈ গতি কৰা জাহাজেৰে যাম।

**নাবিকসকল ঃ** জাহাজত শুই থকা যেন দেখুওৱা। এনেদৰে চিঞৰি ক'ব, এইয়া এক বৰ বেয়া ধুমুহা।

বতাহে জাহাজখন ডুবাই পেলাইছে।

সমুদ্ৰৰ ঢৌৱে আমাক বুৰাই পেলাব।

**যোনা ঃ** টোপনিৰ পৰা উঠা যেন ভাও ধৰিব। চিঞৰি কব, ঈশ্বৰ মোৰ ওপৰত অসন্তোষ্ট। মোক দাঙি পানীত পেলাই দিয়া, তাতে ধুমুহা শান্তি হব।

**তিমিমাছ ঃ** যোনাৰ ফাললৈ পানীৰে যোৱা যেন দেখুৱাব। এতিয়া কব ই এটা বৰ হাঁহি উঠা মাছ। কিন্তু মোৰ বৰ ভোক লাগিছে, মই এতিয়া তাক খাম। (যোনাক গিলি থোৱা যেন দেখুৱাব)।

কব, অহ! মোৰ পেট বৰকৈ বিষাইছে। মই তাক বমি কৰি উলিয়াই পেলাম।

**বৰ্ণনাকাৰী ঃ** গল্পটোৰ দ্বিতীয় খণ্ড কওঁক (যোনা ২:১-১০ আৰু ৩ অধ্যায়)

এতিয়া কওঁক, ঈশ্বৰে কি কৈছে শুনক।

**ঈশ্বৰৰ মাত ঃ** চিএগ্ৰৰি ক'ব, যোনা, নীনবিলৈ যোৱা।

**যোনা ঃ** নীনবিৰ লোকবিলাকৰ ওচৰলৈ ঠৰক বৰককৈ খোজ ল'ব। খঙেৰে চিএগ্ৰৰি ক'ব, মন পালটন কৰা অন্যথা ঈশ্বৰে তোমালোকৰ নগৰ ধ্বংস কৰিব।

**ৰজা ঃ** নিজৰ কাপোৰ ফালে আৰু মাটিত বহি কবলৈ লয়, আমি আটাইয়ে মন পালটন কৰিছোঁ।

**ঈশ্বৰৰ মাত ঃ** তোমালোকে মন পালটন কৰা বাবে মই আনন্দিত। মই তোমালোকক ভাল পাওঁ। মই তোমালোকক বিনষ্ট কৰিবলৈ ইচ্ছা নকৰোঁ।

**বৰ্ণনাকাৰী অথবা ডাঙৰ লৰা-ছোৱালী ঃ** নাটকত সহায় কৰা আটাইকে ধন্যবাদ জ্ঞাপন কৰিব।

**প্ৰশ্নবোৰ ঃ** যদিহে লৰা-ছোৱালীয়ে নাটকখন ডাঙৰ সকলৰ নিমিত্তে পৰিবেশন কৰিছে তেনেহলে ওপৰত দিয়া তালিকাৰ প্ৰশ্নবোৰো কৰক।



এটা ডাঙৰ **মাছৰ ছবি** লৰা-ছোৱালীক আঁকিবলৈ দিয়ক। উপাসনাৰ সময়ত ছবিখন বয়সীয়া সকলক দেখুৱাই বৰ্ণনা কৰিবলৈ কওঁক যে আমি যদিও অন্য দেশৰ লোকক ভাল নাপাওঁ, ঈশ্বৰে কিন্তু আটাইকে ভাল পায়। তেওঁলোকে যেন মন পালটন কৰি যীচুক গ্ৰহণ কৰে সেই কথা কবলৈ তেওঁ আমাক পঠিয়াইছে। দুষ্ট লোকে মন পালটনৰ আন দৃষ্টান্ত লৰা-ছোৱালীক কবলৈ কওঁক, হয়তো তেওঁলোকক মন পালটনৰ কথা বুজাবলৈ কোনো উত্তম শিক্ষক তাত নাছিল।

যিহিস্কেল ১৪:৬ পদ **মুখস্থ কৰক ঃ** ইস্ৰায়েক বংশক কোৱা, প্ৰভু যিহোৱাই এই কথা কৈছে, তোমালোক ওলোটা, তোমালোকৰ মূৰ্ত্তিবোৰৰ পৰা ঘূৰা, আৰু তোমালোকৰ আটাই ঘিনলগীয়া বস্তুলৈ পিঠি দিয়া।

**পদ্য ঃ** যোনা ২:২, ৩, ৫ আৰু ৬ পদ চাৰিগৰাকী লৰা-ছোৱালীক একোটাকৈ পদ মুখস্থ কৰিবলৈ দিয়ক।

**মোৰ দুখৰ কাৰণে মই যিহোৱাৰ আগত প্ৰাৰ্থনা কৰিলোঁ, তাতে তেওঁ মোক উত্তৰ দিলে।**

**মই চিয়োলৰ ভিতৰৰ পৰা কাতৰোক্তি কৰিলো। তুমি মোৰ স্বৰ শুনিলা।**

**কিয়নো তুমি গভীৰ জলৰ সমুদ্ৰৰ মাজত মোক পেলালা আৰু সাগৰৰ সোঁতে মোক বেৰিলে।**

**তোমাৰ আটাই ঢৌ আটাই তৰঙ্গ মোৰ ওপৰেদি গল।**

**মোৰ প্ৰাণৰ সংশয় নোহোৱাকৈ জলসমূহে মোক বেৰিলে, অগাধ জল মোৰ চাৰিওফালে হল**

**সাগৰৰ বনবোৰে মোৰ মূৰ মেৰাই ধৰিলে।**

**মই পৰ্ব্বতবোৰৰ মূললৈকে নামি গলোঁ,**

**পৃথিৱীয়ে নিজৰ ডাংবোৰৰে মোক চিৰকাললৈকে বন্ধ কৰিলে,**

**তথাপি হে মোৰ ঈশ্বৰ যিহোৱা, তুমি গাতঁৰ পৰা মোৰ প্ৰাণ ৰক্ষা কৰিলা।**



Sea Weed

**ডাঙৰ লৰা-ছোৱালীক** মন পালটন আৰু ঈশ্বৰৰ ক্ষমা পোৱাৰ বিষয়ে পদ্য অথবা গীত ৰচনা কৰিবলৈ দিয়ক।

**প্ৰাৰ্থনা ঃ** প্ৰিয় প্ৰভু, আপুনি গোটেই জগতৰ লোককে ভাল পায়, আনকি আপোনাক ঘিণ কৰা সকলকো। আমি তেওঁবিলাকৰ নিমিত্তে প্ৰাৰ্থনা কৰোঁ, যাতে যেন যীচুৰ বাক্য কবলৈ তেওঁবিলাকলৈ বাৰ্ত্তাবাহক পঠোৱা হয়। আমাৰ পৰা পৃথক লোককো প্ৰেম কৰিবলৈ আমাক সহায় কৰক আৰু আমি যেন তেওঁলোকলৈ আপোনাৰ বাক্য নিব পাৰোঁ।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net